# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ৩৩৭/২০২২**

## শ্ৰী শিৰ্ডী সাই বাবা মন্দিৰৰ দশম বাৰ্ষিক প্ৰতিষ্ঠা দিৱস উদযাপন অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ অংশগ্ৰহণ

### সাই বাবাৰ জীৱন আছিল সৰলতা, ত্যাগ আৰু সহানুভূতিৰ মূৰ্ত প্ৰতীক ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১১ নৱেম্বৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি শ্ৰী শিৰ্ডী সাই আধ্যাত্মিক আৰু দাতব্য ন্যাসৰ উদ্যোগত গুৱাহাটীৰ পাঞ্জাবাৰীস্থিত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীমন্ত শংকৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত আয়োজিত গুৱাহাটীৰ ভিআইপি ৰোডৰ ৰাধা নগৰত অৱস্থিত শ্ৰী শিৰ্ডী সাই বাবা মন্দিৰৰ দশম বাৰ্ষিক প্ৰতিষ্ঠা দিৱস উদযাপন উপলক্ষে এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত অংশগ্ৰহণ কৰে।

এই উপলক্ষে ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ভাৰতীয় আধ্যাত্মিক জীৱনধাৰা মহীয়ান কৰা সন্ত-মহাত্মা সকলৰ অন্যতম হৈছে উনবিংশ আৰু বিংশ শতিকাৰ আৰম্ভণিৰ মহান সন্ত আৰু সদগুৰু শিৰ্ডীৰ শ্ৰী সাই বাবা। সাই বাবাৰ জীৱন আছিল সৰলতা, ত্যাগ আৰু সহানুভূতিৰ মূৰ্ত প্ৰতীক। জনসমাজত তেওঁ বিশ্বভ্ৰাতৃত্ববোধ আৰু প্ৰেম, সন্মান, নম্ৰতা, দয়া আৰু সেৱাৰ মনোভাৱৰ প্ৰচাৰ কৰাৰ উপৰি ওৰেটো জীৱন তাৰ অনুশীলন কৰিছিল। কেৱল মানৱ সমাজৰ মাজতে আৱদ্ধ নাৰাখি তেওঁৰ প্ৰেম আৰু সহানুভূতি সকলো জীৱিত প্ৰাণীলৈ বিস্তাৰিত আছিল। তেওঁ এক ঈশ্বৰত আৰু সকলো ধৰ্ম আৰু মানৱজাতিৰ একতাত বিশ্বাস কৰিছিল। মানৱজতিক তেওঁ দিছিল এক অমৰ বাণী সবকা মালিক এক।

মুখ্যমন্ত্ৰীয়ে কয় যে সাই বাবাৰ জীৱন সমাজৰ বাবে আছিল এক বাৰ্তা স্বৰূপ। তেওঁৰ গুৰুত্ব আছিল সৰল জীৱন যাপন কৰাত, ছয় ৰিপু দমন কৰাত আৰু সদায় এই কথা মনত ৰখাত যে মৃত্যুৰ পিছত সকলোৰে পঞ্চভূতত বিলীন হৈ যাব লাগিব। মানৱ জীৱনৰ চাৰিটা প্ৰাথমিক লক্ষ্য ধৰ্ম, অৰ্থ, কাম আৰু মোক্ষ প্ৰাপ্ত কৰা, মোক্ষ বা আত্ম-উপলব্ধিৰ ওপৰত গুৰুত্ব দিয়াই আছিল তেওঁৰ আধ্যাত্মিক জ্ঞানৰ উদ্দেশ্য। সাই বাবাই নিজৰ অনুগামীসকলক সতৰ্ক কৰি দিছিল যে আধ্যাত্মিক পথত সফল হ'বলৈ হ'লে শাৰীৰিক আৰু আৰ্থিক প্ৰলোভন অতিক্ৰম কৰিব লাগিব। তেওঁ প্ৰেম, ক্ষমা, আনক সহায় কৰা, মানসিক শান্তি, ঈশ্বৰ আৰু গুৰুৰ প্ৰতি ভক্তিৰ নৈতিক নিয়মৰ শিক্ষা প্ৰদান কৰিছিল বুলি মুখ্যমন্ত্ৰীয়ে কয়। সাই বাবাই কৈছিল যে সঠিক আচৰণ কৰাই হৈছে আমাৰ কৰ্তব্য। জীৱনৰ সৰ্বোচ্চ লক্ষ্য যিটোক সাই বাবাই উল্লেখ কৰিছে সেয়া হ'ল জ্ঞান-প্ৰপ্তি বা আত্ম- উপলব্ধি বুলি মুখ্যমন্ত্ৰীয়ে ভাষণত উল্লেখ কৰে।

জ্ঞানপ্ৰাপ্তি আৰু আত্ম উপলব্ধিৰ তত্ত্ব ব্যাখ্যা কৰি মুখ্যমন্ত্ৰীয়ে সাই বাবাৰ দৰ্শন আৰু ছুফী পৰম্পৰাৰ ওপৰত অনুষ্ঠানত এক সাৰগৰ্ভ বক্তব্য আগবঢ়ায়। সনাতন সভ্যতা, বৌদ্ধ দৰ্শন, উপনিষদ আদিৰ ওপৰত আলোকপাত কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ছুফীবাদ হৈছে হিন্দুত্ব আৰু ইছলামৰ মাজৰ সংযোগৰ সেতু। যিসকল লোকে সাই বাবাৰ ধৰ্ম হিন্দু নে মুছলমান সেই প্ৰশ্নৰ সমিধান বিচাৰে তেওঁলোকৰ বাবে সাই বাবাই পালন কৰা ছুফী দৰ্শনৰ মূলমন্ত্ৰই এটা গভীৰ সমিধান কঢ়িয়াই আনিব পাৰে বুলি মুখ্যমন্ত্ৰীয়ে ভাষণত

উল্লেখ কৰে।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ২০১২ চনৰ আজিৰ দিনটোতে প্ৰাণ প্ৰতিষ্ঠা কৰা ৰাজ্যৰ এক অন্যতম আধ্যাত্মিক স্থান শ্ৰী শিৰ্ডী সাই বাবা মন্দিৰৰ দশম বাৰ্ষিক প্ৰতিষ্ঠা দিৱস উদ্যাপন অনুষ্ঠানত প্ৰখ্যাত আধ্যাত্মিক চিন্তাবিদ, লেখক আৰু সমাজসেৱক তথা শ্ৰী শিৰডী চাই গ্লোবেল ফাউণ্ডেচনৰ প্ৰতিষ্ঠাপক সভাপতি ড° চন্দ্ৰ ভানু সৎপথীৰ উপস্থিতিয়ে সকলোকে অনুপ্ৰাণিত কৰিছে। বিগত বছৰবোৰত ড° সৎপথীয়ে ভাৰতবৰ্ষৰ লগতে বিদেশত ভাৰতীয় দৰ্শন, আধ্যাত্মিকতা আৰু সংস্কৃতি প্ৰচাৰ কৰাত অগ্ৰণী ভূমিকা গ্ৰহণ কৰি আহিছে। তেওঁৰ অনুপ্ৰেৰণাত ভাৰত আৰু সমগ্ৰ বিশ্বতে ২৫০ তকৈও অধিক আধ্যাত্মিক আৰু জনহিতকৰ কেন্দ্ৰ স্থাপন হোৱাৰ লগতে শ্ৰী শিৰ্ডী সাই বাবাৰ নামত উৎসৰ্গিত বহুসংখ্যক মন্দিৰ ভাৰত আৰু আন বহুতো দেশত স্থাপন কৰা হৈছে। ড° চন্দ্ৰ ভানু সৎপথীয়ে বহুতো ভক্তিমূলক সংগীত ৰচনা কৰি সমাজত আধ্যাত্মিক জ্ঞান-চৰ্চ্চাৰ বিকাশত বিশেষ ভূমিকা লৈছে। তেখেতৰ বহুতো আধ্যাত্মিক আৰু দাৰ্শনিক গ্ৰন্থ ভাৰতীয় আৰু বিদেশী ভাষালৈ অনুদিত হৈছে। দাতব্য ন্যাসৰ জৰিয়তে তেওঁ যি মহৎ অভিযান সম্পাদন কৰি আহিছে তাৰবাবে মুখ্যমন্ত্ৰীয়ে ড° সৎপথীক কৃতজ্ঞতা জ্ঞাপন কৰে।

অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সমীৰ কুমাৰ সিনহা, গৃহ আৰু ৰাজনৈতিক বিভাগৰ প্ৰধান সচিব নিৰজ বাৰ্মা, শ্ৰী শিৰডী সাই আধ্যাত্মিক আৰু দাতব্য ন্যাসৰ সদস্য হিমাংশু শেখৰ দাস, অৰুণ কুমাৰ প্ৰমুখ্যে ৰাজ্য চৰকাৰৰ উচ্চপদস্থ বিষয়াবৰ্গ আৰু সাই ভক্তবৃন্দ উপস্থিত থাকে।

আজিৰ এই অনুষ্ঠানতে ড° চন্দ্ৰ ভানু সৎপথীৰ উড়ীয়া ভাষাত প্ৰকাশ কৰা ‘গুৰু ভাগৱত’ প্ৰথম খণ্ডৰ প্ৰথম পৃষ্ঠাৰ অসমীয়া অনুবাদৰ ডিজিটেল সংস্কৰণটো মুখ্যমন্ত্ৰীয়ে আনুষ্ঠানিকভাৱে উন্মোচন কৰাৰ লগতে শ্ৰী শিৰ্ডী সাই বাবা মন্দিৰৰ দশম বাৰ্ষিক প্ৰতিষ্ঠা দিৱস উদযাপন উপলক্ষে প্ৰকাশিত ‘গুৰুবাৰ্তা’ নামৰ স্মৰণিকাখনো উন্মোচন কৰে।

**হেঃশঃ**
**১১/১১/২০২২**